**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-05-2024
**Time :** 1715 Hrs

***Assamese Morning Bulletin***
**:::::::::::::::::::::::::::::::::::::::**

ৰাজ্যৰ ৫০ খন নিৰ্বাচনী জিলাত স্থাপিত ৫২ টা ভোটগণনা কেন্দ্ৰত অহা ৪ জুনত হ'বলগীয়া ভোটগণনাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি গুৱাহাটীত অনুষ্ঠিত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে জানিবলৈ দিয়া মতে পুৱা ৮ বজাত আৰম্ভ হ'বলগীয়া ভোট গণনাৰ বাবে মুঠ ৫ হাজাৰ ৮২৩ গৰাকী বিষয়া-কৰ্মচাৰীক নিয়োগ কৰা হৈছে। ভোটগণনা স্বচ্ছ পদ্ধতিৰে সম্পন্ন কৰাটো নিশ্চিত কৰাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগে ৬৪ গৰাকী সাধাৰণ পৰ্যবেক্ষকক নিযুক্তি দিছে বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।

শ্ৰী গোৱেলে লগতে কয় যে মুঠ ৫২ টা ভোটগ্ৰহণ কেন্দ্ৰত এহেজাৰ ৯৪১ খন ভোটগণনাৰ মেজৰ ব্যৱস্থা কৰা হৈছে। আনহাতে, আজিৰ দিনটোলৈ ৰাজ্যৰ ১৪ গৰাকী ৰিটাৰ্নিং বিষয়াই ১ লাখ ২৮ হাজাৰ ২৯৯ খন ডাক-বেলট লাভ কৰিছে বুলি জানিবলৈ দি তেওঁ লগতে কয় যে যোৰহাট লোকসভা সমষ্টিত সৰ্বাধিক সংখ্যক ডাক বেলট লাভ কৰা হৈছে।

ইপিনে, ভোটগণনাৰ বাবে গোৱালপাৰা জিলা প্ৰশাসনে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। জিলাখনৰ হোৱা দুধনৈ আৰু গোৱালপাৰা পশ্চিম বিধানসভা সমষ্টি দুটা গুৱাহাটী লোকসভা সমষ্টিত অন্তৰ্ভুক্ত হোৱাৰ বিপৰীতে গোৱালপাৰা পূব আৰু জলেশ্বৰ বিধানসভা সমষ্টি ধুবুৰী লোকসভা সমষ্টিৰ অন্তৰ্ভুক্ত হৈছে। সেয়ে দুয়োটা লোকসভা সমষ্টিৰ বিপৰীতে জিলাখনত থকা ৪ টা বিধানসভা সমষ্টিৰ ভোটগণনা গোৱালপাৰা জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত হোৱা বহুমুখী প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব।

০০০০০০০

অষ্টাদশ লোকসভা নিৰ্বাচনৰ কাইলৈ সপ্তম তথা অন্তিম পৰ্যায়ত ৮ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭ টা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত মুঠ ৯০৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। এই পৰ্যায়ত উত্তৰ প্ৰদেশ আৰু পঞ্জাৱৰ ১৩ খনকৈ, পশ্চিমবংগৰ ৯ খন, বিহাৰৰ ৮ খন, ওড়িশাৰ ছখন, হিমাচল প্ৰদেশৰ ৪ খন, ঝাৰখণ্ডৰ ৩ খন আৰু চণ্ডীগড়ৰ এখন সংসদীয় আসনৰ বাবে প্ৰতিদ্বন্দ্বিতা হ'ব। কাইলৈ পুৱা ৭ বজাৰ পৰা ভোটগ্ৰহণ আৰম্ভ হ'ব। এই পৰ্যায়ত মুঠ ৯০৪ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় হব। ইয়াৰ ভিতৰত আছে -প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, তৃণমূল কংগ্ৰেছৰ নেতা অভিষেক বেনাৰ্জী, পঞ্জাৱৰ পূৰ্বৰ মুখ্যমন্ত্ৰী তথা কংগ্ৰেছ নেতা চৰণজিৎ সিং চান্নী, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী হৰছিমৰাৎ কৌৰ বাদল, আৰ জে দি নেতা লালুপ্ৰসাদ যাদৱৰ কন্যা মিছা ভাৰতী, কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰ, অভিনেত্ৰী কংগনা ৰাণাৱট আদি।

সংশ্লিষ্ট অঞ্চলসমূহত স্বচ্ছ আৰু নিকা পদ্ধতিৰে ভোটগ্ৰহণ অনুষ্ঠিত হোৱাটো সুনিশ্চিত কৰিবলৈ নিৰ্বাচন আয়োগে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। জ্যেষ্ঠ নাগৰিক তথা দিব্যাংগসকলকে ধৰি প্ৰতিগৰাকী ভোটদাতাৰ ভোটদানৰ সুচলতা সুনিশ্চিত কৰাৰ বাবে বিশ্ৰামস্থলৰে পৰা আৰম্ভ কৰি খোৱাপানীৰ সু-ব্যৱস্থা, দিব্যাংগ লোকসকলৰ যাতায়াতৰ সুচলতাৰ বাবে ৰেম্প, অনাময় ব্যৱস্থাকে ধৰি বিদ্যুৎ যোগান আদি সকলো দিশতে আয়োগে গুৰুত্ব আৰোপ কৰিছে। ৰাজ্যিক মুখ্য নিৰ্বাচনী বিষয়া, জিলা নিৰ্বাচনী বিষয়া আৰু সংশ্লিষ্ট সকলোকে গ্ৰীষ্ম প্ৰবাহৰ পৰিস্থিতিৰ মুখামুখি হোৱাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিয়া হৈছে।

ভোটগ্ৰহণ হ'বলগীয়া অঞ্চলসমূহত উদ্ভৱ হ'ব পৰা যিকোনো অপ্ৰীতিকৰ পৰিস্থিতি এৰাই চলিবলৈ নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

ooooooooo

সমগ্ৰ দেশৰ লগতে অসমতো আজি বিশ্ব ধঁপাত বিৰোধী দিৱস পালন কৰা হয়। ধঁপাত সেৱনৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ লক্ষ্যৰে এই দিৱস পলন কৰা হয়। গোৱালপাৰা জিলাৰ বিভিন্ন স্থানত এই দিৱস উপলক্ষে জিলা স্বাস্থ্য বিভাগে স্বাস্থ্য কেন্দ্ৰসমূহৰ উপৰি বিদ্যালয়ে বিদ্যালয়ে বিস্তৃত কাৰ্যসূচী ৰূপায়ণ কৰে। বিদ্যালয়সমূহত সজাগতা সভা অনুষ্ঠিত কৰাৰ লগতে ৰচনা প্ৰতিযোগিতাও অনুষ্ঠিত হয়।

বৰপেটা জিলা স্বাস্থ্য বিভাগ আৰু ফখৰুদ্দিন আলী আহমেদ চিকিৎসালয় হাস্পতালেও এই দিৱস পালন কৰে। চিকিৎসা মহাবিদ্যালয়খনৰ উদ্যোগত এটা সমদল উলিওৱা হয়। ৰাইজৰ মাজত ধঁপাত বিৰোধী সজাগতা সৃষ্টিৰ প্ৰয়াসেৰে উলিওৱা এই সমদলত চিকিৎসক আৰু চিকিৎসা কৰ্মীয়ে অংশগ্ৰহণ কৰে। জিলাখনৰ কেইবাটাও স্বেচ্ছাসেৱী সংগঠনৰ উদ্যোগতো আজি এই দিৱস পালন কৰা হয়।

কৰিমগঞ্জ অসামৰিক হাস্পতালত আজি জিলা ধঁপাত নিয়ন্ত্ৰণ কোষে এটা অনুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানৰ মূল বিষয়বস্তু আছিল - ধঁপাত সেৱনৰ পৰা শিশু তথা কিশোৰ-কিশোৰীসকলক সুৰক্ষা প্ৰদান কৰা। প্ৰধানকৈ যুৱ প্ৰজন্মক ধঁপাত সেৱনৰ জৰিয়তে হ'ব পৰা বিপদসমূহৰ বিষয়ে সজাগ কৰি তোলা আৰু ধঁপাতমুক্ত এখন স্বাস্থ্যকৰ সমাজ গঢ়াৰ উদ্দেশ্যে এই কাৰ্যসূচী গ্ৰহণ কৰা হয়।

উল্লেখযোগ্য যে, ধঁপাত সেৱনৰ বাবে ৰাজ্যত প্ৰতি বছৰে হাজাৰ হাজাৰ লোক কৰ্কট ৰোগত আক্ৰান্ত হয়। তথ্য অনুসৰি যোৱা ৫ বছৰত ৰাজ্যত এক লাখ ৯৪ হাজাৰ লোক কৰ্কট ৰোগত আক্ৰান্ত হৈছে। ইয়াৰ বিপৰীতে এক লাখ ১৪ হাজাৰ লোকে এই ৰোগত আক্ৰান্ত হৈ মৃত্যুক সাৱটি লৈছে। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ মতে অসমত কৰ্কট আক্ৰান্ত ৰোগীৰ ভিতৰত ৪৮ শতাংশই ধঁপাত সেৱন কৰে। ইফালে ধঁপাত সেৱনৰ অভ্যাস আঁতৰাবলৈ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানে এটা বিশেষ হেল্পলাইন নম্বৰ মুকলি কৰিছে। ১৮০০১১২৩৫৬ নম্বৰলৈ ফোন কৰিলে ধঁপাত এৰিব বিচৰা ব্যক্তিজনক প্ৰতিষ্ঠানখনে বিশেষভাৱে সহযোগিতা আগবঢ়ায়।

ooooooooo

দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অহা ১৬ জুনৰ পৰা হবলগীয়া ক্ৰিকেট শৃংখলাৰ বাবে ঘোষণা কৰা ভাৰতৰ ছিনিয়ৰ মহিলা দলত অসমৰ উমা চেত্ৰীয়ে স্থান লাভ কৰে। গোলাঘাট জিলাৰ বোকাখাটৰ জিয়ৰী উমা চেত্ৰীয়ে পুনৰ জাতীয় দলৰ বাবে নিৰ্বাচিত হোৱাত খেলুৱৈগৰাকীৰ বাসগৃহত আনন্দমুখৰ পৰিবেশৰ সৃষ্টি হয়। বোকাখাট জিলা ক্ৰীড়া সন্থাৰ বিষয়ববীয়াই উইকেট ৰক্ষক বেটাৰ উমাক শুভেচ্ছা জ্ঞাপন কৰে। ইপিনে, অসম ক্ৰিকেট সন্থাৰ সভাপতি তৰংগ গগৈ আৰু সম্পাদক ত্ৰিদিব কোঁৱৰে খেলুৱৈগৰাকীক শুভচ্ছো জনোৱাৰ লগতে ভৱিষ্যতে সহায় কৰি যাব বুলি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ক্ৰিকেট শৃংখলাত ভাৰতৰ মহিলা দলটোৱে ৩ খন এদিনীয়া, এখন টেষ্ট আৰু ৩ খন টি টুৱেণ্টি খেল খেলিব। উমা চেত্ৰী প্ৰথমবাৰ ২০২৩ চনৰ জুন মাহৰ বাংলাদেশ ভ্ৰমণৰ বাবে ভাৰতীয় দলত স্থান লাভ কৰিছে। উমা চেত্ৰী চীনত অনুষ্ঠিত এছিয়ান গেমছত সোণৰ পদক জয় কৰা ভাৰতীয় মহিলা ক্ৰিকেট দলটোৰ অন্যতম সদস্য আছিল।

ooooooooo

**সমাপ্ত**